**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অপাৰেশ্যন সিন্দুৰৰ সময়ছোৱাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে প্ৰশংসনীয় ভূমিকা পালন কৰা বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে।

২। বিগত এহেজাৰ বছৰ ধৰি সোমনাথ মন্দিৰৰ অৱস্থিতিয়ে দেশৰ সভ্যতা-সংস্কৃতি অতুলনীয় হোৱাৰ কথাকে প্ৰতীয়মান কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি গোৱাত ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ থলুৱাভাৱে নিৰ্মিত তথা পৰিবেশ অনুকূল জাহাজ সমুদ্ৰ প্ৰতাপৰ কাম-কাজৰ শুভাৰম্ভ কৰে।

৪। দিল্লী বিধানসভাৰ শীতকালীন অধিৱেশন আজি উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনাৰ ভাষণেৰে আৰম্ভ হৈছে।

**আৰু**

৫। ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰোৰ ওপৰত আমেৰিকাই লোৱা ব্যৱস্থাক চীনে গৰিহণা দিছে।

০০০০০০০

অপাৰেশ্যন সিন্দুৰৰ সময়ছোৱাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে প্ৰশংসনীয় ভূমিকা পালন কৰা বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত ২০২৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ গণৰাজ্য দিৱস কুচকাৱাজ শিবিৰত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ এই কথা প্ৰকাশ কৰে। অপাৰেশ্যন সিন্দুৰৰ সাফল্যক আলোকপাত কৰি শ্ৰীৰাধাকৃষ্ণণে কয় যে এই অভিযানৰ জৰিয়তে দেশবাসী তথা দেশৰ সন্মান আৰু সাৰ্বভৌমত্ব সুৰক্ষিত কৰি ৰখাত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে। তেওঁ কয় যে একতা আৰু নিয়মানুবৰ্তিতাৰ দৃষ্টিভংগীৰে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে অবিৰতভাৱে দায়িত্বশীল আৰু দেশপ্ৰেমী নাগৰিকৰ প্ৰজন্মসমূহ গঢ় দি আহিছে। কেৰালাৰ ৱায়নাডত হোৱা বানৰ সময়ত বাহিনীটোৰে আগবঢ়োৱা সেৱাৰো তেওঁ ভূয়সী প্ৰশংসা কৰে। প্ৰাকৃতিক দুৰ্যোগত সাহায্য আগবঢ়োৱা, যুৱ চামৰ ভাৱ-বিনিময় অনুষ্ঠান, দুঃসাহসিক ক্ৰীড়া তথা পৰ্বতাৰোহণৰ দৰে ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ভূমিকাৰ তেওঁ শলাগ লয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চাইবাৰ আৰু ড্ৰোণ প্ৰযুক্তিৰ দৰে শেহতীয়া খণ্ডসমূহতো ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে লেখত ল'বলগীয়া অৰিহণা আগবঢ়াইছে।

০০০০০০০০০

বিগত এহেজাৰ বছৰ ধৰি সোমনাথ মন্দিৰৰ অৱস্থিতিয়ে দেশৰ সভ্যতা-সংস্কৃতি অতুলনীয় হোৱাৰ কথাটোকে প্ৰতীয়মান কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিস্তৰ প্ৰতিকূলতা আৰু শত্ৰুৰ বাৰম্বাৰ আক্ৰমণৰ পাছতো এই মন্দিৰ সগৰ্বে থিয় হৈ থকাটোৱে এই কথা প্ৰমাণ কৰে। তেওঁ কয়, যে এই মন্দিৰে দেশৰ জনসাধাৰণৰ হৃদয় আৰু মনত পৱিত্ৰ অনুভূতিৰ জন্ম দিয়ে। গুজৰাটৰ পশ্চিম উপকূলীয় অঞ্চলৰ প্ৰভাস পটান নামৰ অঞ্চলত থকা এই মন্দিৰে দেশৰ শাশ্বত আত্মাৰ ধ্বনি গ্ৰহণ কৰে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে এই মন্দিৰে দেশৰ সভ্যতা-সংস্কৃতি ৰক্ষাৰ বাবে আগবাঢ়ি অহা অগণন বীৰ-বীৰাংগনাৰ কাহিনীও ধৰি ৰাখিছে। ১০২৬ খ্ৰীষ্টাব্দত গজনি মাহমুদে এই মন্দিৰত নৃশংসভাৱে আক্ৰমণ চলাইছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে এই আক্ৰমণৰ এহেজাৰ বছৰ পাছতো নিজস্ব গৰিমাৰে এই প্ৰাচীন ঐতিহ্যই মূৰ দাঙি আছে। সোমনাথ মন্দিৰৰ পুনৰুদ্ধাৰৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টা আৰু পদক্ষেপৰ শলাগ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ২০২৬ চনত আৰু কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। তেওঁ কয়, যে ১৯৫১ চনত তদানীন্তন ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ উপস্থিতিত এই মন্দিৰৰ দ্বাৰ জনসাধাৰণৰ বাবে মুকলি কৰা হৈছিল। লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলে মন্দিৰটোৰ পুনৰ নিৰ্মাণৰ দায়িত্ব বহন কৰিছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই মন্দিৰৰ ঐতিহ্য

পুনৰুদ্ধাৰৰ ক্ষেত্ৰত অহল্যাবাঈ হলকাৰৰ অৱদান আৰু স্বামী বিবেকানন্দই ১৮৯০ আৰু ১৮৯৭ চনত মন্দিৰৰ ঐতিহ্যৰ বিষয়ে প্ৰকাশ কৰি দিয়া মূল্যবান ভাষণৰ প্ৰসংগ উল্লেখ কৰে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি গোৱাত ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ থলুৱাভাৱে নিৰ্মিত তথা পৰিবেশ অনুকূল জাহাজ সমুদ্ৰ প্ৰতাপৰ কাম-কাজৰ শুভাৰম্ভ কৰে। এই জাহাজখনৰ জৰিয়তে দেশৰ বিশেষ অৰ্থনৈতিক মণ্ডল সুৰক্ষিত কৰি ৰখাৰ লগতে সামুদ্ৰিক আইন বলবৎতথা উদ্ধাৰ আৰু অনুসন্ধান অভিযান ত্বৰান্বিত কৰাৰ উপৰি সামুদ্ৰিক প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত সহায় হ'ব। ৭০ শতাংশতকৈও অধিক থলুৱাভাৱে বিকশিত সামগ্ৰীৰে নিৰ্মিত প্ৰথমখন প্ৰদূষণ নিয়ন্ত্ৰণ জাহাজ হিচাপে সমুদ্ৰ প্ৰতাপত কেইবাটাও সুবিধা সন্নিৱিষ্ট কৰা হৈছে। উল্লেখযোগ্য এই জাহাজখনত হেলিকপ্তাৰ অৱতৰণৰ গোপন স্থানো আছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সমুদ্ৰ প্ৰতাপ জাহাজৰ কাম-কাজ হোৱাৰ জৰিয়তে দেশৰ সামুদ্ৰিক শক্তি অধিক শক্তিশালী হৈ উঠাটো প্ৰতিফলিত হোৱা বুলি প্ৰকাশ কৰিছে। এই জাহাজখনে সামুদ্ৰিক প্ৰৱাল তথা উপকূলীয় সম্প্ৰদায়সমূহৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে জলবায়ু পৰিৱৰ্তনৰ এই যুগত সামুদ্ৰিক জৈৱ বিচিত্ৰতা সুৰক্ষিত কৰি ৰাখিব। মন্ত্ৰীগৰাকীয়ে ভৱিষ্যতৰ প্ৰকল্পসমূহত ৯০ শতাংশ থলুৱা সামগ্ৰী ব্যৱহাৰৰ লক্ষ্য ল'বলৈ উদ্যোগ খণ্ডলৈ আহ্বান জনায়।

০০০০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ে আৰ জে ডিৰ নেতা লালু প্ৰসাদ যাদৱে আই আৰ চি টি চি কেলেংকাৰিত তেওঁৰ বিৰুদ্ধে আৰোপ কৰা অভিযোগৰ বিৰুদ্ধে আবেদন জনাই দাখিল কৰা এখন আবেদনৰ সঁহাৰি দিবলৈ কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইক নিৰ্দেশ দিছে। আদালতে এই পৰ্যায়ত গোচৰটোৰ শুনানি স্থগিত ৰাখিবলৈ অস্বীকাৰ কৰাৰ লগতে অহা ১৪ জানুৱাৰীত পৰৱৰ্তী শুনানিৰ দিন  ধাৰ্য কৰিছে। উল্লেখযোগ্য যে এই গোচৰত যোৱা অক্টোবৰ মাহত লালু প্ৰসাদ যাদৱৰ লগতে তেওঁৰ পত্নী ৰাব্‌ৰি দেৱী, পুত্ৰ তেজস্বী যাদৱ আৰু অন্য ১১জনৰ বিৰুদ্ধে প্ৰবঞ্চনা, দুৰ্নীতি আৰু অপৰাধমূলক ষড়যন্ত্ৰৰ অভিযোগ আৰোপ কৰা হৈছিল।

০০০০০০০

দিল্লী বিধানসভাৰ শীতকালীন অধিৱেশন আজি উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনাৰ ভাষণেৰে আৰম্ভ হৈছে। শ্ৰী চাক্সেনাই নিজৰ ভাষণত দিল্লী চৰকাৰে ই-প্ৰশাসন ব্যৱস্থাৰ অধীনত গ্ৰহণ কৰা ব্যৱস্থাৰ অংশ হিচাপে বিভিন্ন বিভাগত নাগৰিকৰ সুবিধা হোৱাকৈ ৭৫ টা ডিজিটেল সেৱা আৰম্ভ কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয়, যে চৰকাৰে ইজ অব্ ডুয়িং বিজনেছ বা ব্যৱসায়ৰ সুচলতাৰ বাবে গ্ৰহণ কৰা পদ্ধতিৰ অধীনত ব্যৱসায়ৰ পদ্ধতিসমূহ সৰল কৰি তোলা হৈছে। দিল্লীৰ সকলো চৰকাৰী কাৰ্যালয় ডিজিটাইজ কৰিবলৈ চৰকাৰে ই-কাৰ্যালয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইয়াৰ ফলত প্ৰশাসন ব্যৱস্থা নিকা আৰু সহজলভ্য হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয়, যে চৰকাৰে আন্তঃগাঁথনি শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত উন্নয়ন সাধনৰ বাবে ১ লাখ কোটি টকাৰ আবণ্টন দিছে।

অধিৱেশনৰ আৰম্ভণিতে আজি মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই শাসক-বিৰোধী উভয় পক্ষক দায়িত্ব সহকাৰে আৰু সদনৰ মৰ্যাদা বজাই ৰাখি অৰ্থপূৰ্ণ আলোচনাত অংশ ল'বলৈ আহ্বান জনায়। তেওঁ লগতে বিধানসভা জনসাধাৰণৰ সমস্যাসমূহ উত্থাপন আৰু নীতি-নিৰ্ধাৰণৰ সাৰ্থক মঞ্চ হোৱা উচিত বুলি মন্তব্য কৰে। অধিৱেশনত দিল্লীৰ মন্ত্ৰী মনজিন্দৰ সিং ছিৰ্ছা আৰু আশীষ সুদে প্ৰশাসনীয় সংস্কাৰ, প্ৰদূষণ আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধতা ৰক্ষা কৰিবলগীয়া বিষয়সমূহ এই চাৰিদিনীয়া অধিৱেশনত আলোচনা কৰিব পৰা হ'ব বুলি উল্লেখ কৰে। শ্ৰী ছিৰ্ছাই আম আদমি পাৰ্টী নেতৃত্বাধীন চৰকাৰে বিগত ১১ বছৰত গ্ৰহণ কৰিব নোৱাৰা ব্যৱস্থাসমূহ ৰেখা গুপ্তা নেতৃত্বাধীন চৰকাৰে ১১ মাহতে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে।

অধিৱেশনৰ সময়ছোৱাত পৰিৱেশ প্ৰদূষণ, শ্বিছমহল প্ৰকল্পৰ সৈতে সম্পৰ্কিত নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক অৰ্থাৎ কেগৰ প্ৰতিবেদন তথা দিল্লী জলবোৰ্ডকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হ'ব।  সাংবাদিকৰ আগত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিধায়কসকলে নিজ নিজ সমষ্টিৰ জনসাধাৰণৰ সমস্যাসমূহৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰাৰ লগতে সময়োপযোগী নীতি প্ৰণয়ন আৰু ৰূপায়ণৰ দিশত আলোচনাত অংশগ্ৰহণ কৰা উচিত। এই অধিৱেশনত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। এই অধিৱেশনৰ অহা ৮ জানুৱাৰীত অন্ত পৰিব।

০০০০০০০০০

ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰোৰ ওপৰত আমেৰিকাই লোৱা ব্যৱস্থাক চীনে গৰিহণা দিছে। চীনে আন্তঃৰাষ্ট্ৰীয় বিচাৰক অথবা আন্তৰ্জাতিক আৰক্ষীৰ ভূমিকা পালন কৰাৰ পৰা যিকোনো দেশক বিৰত থাকিবলৈ কোৱাৰ লগতে একপক্ষীয় আক্ৰমণৰ বিৰুদ্ধে নিজৰ মত প্ৰকাশ কৰে। দেশখনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িয়ে কয় যে সাম্প্ৰতিক আন্তৰ্জাতিক পৰিস্থিতিয়ে প্ৰায়ভাগ ক্ষেত্ৰতে এনে ধৰণৰ একপক্ষীয় আক্ৰমণ সংঘটিত হোৱাটোকে প্ৰতিফলিত কৰিছে। আন্তঃৰাষ্ট্ৰীয় আইনৰ অধীনত প্ৰতিখন ৰাষ্ট্ৰই নিজৰ সাৰ্বভৌমত্ব ৰক্ষাৰ ব্যৱস্থা কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। বেইজিঙত এই সন্দৰ্ভত বৈদেশিক মন্ত্ৰীগৰাকীয়ে নিজৰ মত প্ৰকাশ কৰি কয় যে চীনে অন্য ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বক সন্মান জনোৱাৰ লগতে আলোচনাৰ মাধ্যমেৰে বিবাদ মীমাংসা আৰু পাৰস্পৰিক সহ.যোগিতাৰ ক্ষেত্ৰৰ ৰাষ্ট্ৰসংঘৰ চনদক সমৰ্থন কৰি আহিছে। উল্লেখযোগ্য যে ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি মাডুৰোক যোৱা শনিবাৰে আমেৰিকাৰ বাহিনীয়ে আটক কৰে আৰু বৰ্তমান ৰাষ্ট্ৰপতিগৰাকী তেওঁলোকৰ জিম্মাত আছে। দেসখনৰ উপ-ৰাষ্ট্ৰপতি ডেলছি ৰোদ্ৰিগেজে কাৰ্যবাহী ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি আছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰোদ্ৰিগেজক ভেনিজুৱেলাৰ প্ৰাকৃতিক সম্পদ বিশেষকৈ খনিজ তেলৰ সম্পূৰ্ণ কৰ্তৃত্ব আমেৰিকাক প্ৰদান কৰিবলৈ আহ্বান জনাইছে। এই আহ্বান গ্ৰহণ নকৰিলে ৰাষ্ট্ৰপতি মাডুৰোৰ পৰিণতিতকৈ ভয়াবহ পৰিণতি ভোগ কৰিব লাগিব বুলি ট্ৰাম্পে সকিয়াই দিছে।

ইপিনে, ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে এই ঘটনাক লৈ এখন জৰুৰী বৈঠক আহ্বান কৰিছে। পৰিষদৰ অস্থায়ী সদস্যৰাষ্ট্ৰ কলম্বিয়াৰ অনুৰোধত বৈঠকৰ আহ্বান কৰা হৈছে আৰু চীন তথা ৰাছিয়াই সন্মতি জনাইছে।

ooooooooo

ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে বিগত ১১ বছৰত দেশত বৈদ্যুতিক সামগ্ৰীৰ উৎপাদন ৬ গুণ আৰু ৰপ্তানি ৮ গুণ বৃদ্ধি হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীবৈষ্ণৱে কয় যে বিগত বৰ্ষত এপ্‌লে ৫ হাজাৰ কোটি আমেৰিকান ডলাৰ মূল্যৰ মোবাইল ফোন ৰপ্তানি কৰিছে। তেওঁ কয় যে ইয়াৰ জৰিয়তে ৰপ্তানিৰ শীৰ্ষ তিনিটা স্থানৰ ভিতৰত বৈদ্যুতিক সামগ্ৰী অন্তৰ্ভুক্ত হৈছে। চলিত বৰ্ষত চাৰিটা ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ অধীনত বাণিজ্যিক উৎপাদন আৰম্ভ হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। বৈদ্যুতিক সামগ্ৰী নিৰ্মাণ খণ্ডত সম্প্ৰতি ২৫ লাখ নিয়োগৰ সুবিধা আছে বুলি প্ৰকাশ কৰি তেওঁ কয় যে বহুসংখ্যক কাৰখানাৰ জৰিয়তে একো একোটা স্থানত ৫ হাজাৰতকৈ অধিক লোকৰ নিয়োগৰ সুবিধা গঢ়ি উঠিছে।

ooooooooo

**সমাপ্ত**